रजिस्ट्री सं डी 221

Registered No.D 221
পঞ্জীয়ন নং ডি ২২১

सत्यमेव जयते

# भारत का राजपत्र
# THE GAZETTE OF INDIA
# ভাৰতৰ ৰাজপত্ৰ

असाधारण
**EXTRA ORDINARY**
অসাধাৰণ

भाग VI - अनुभाग 1
**PART VI - Section 1**
ভাগ ৬ - অনুভাগ ১

प्राधिकार से प्रकाशित
PUBLISHED BY AUTHORITY
প্ৰাধিকাৰৰ দ্বাৰা প্ৰকাশিত

No. 1.] NEW DELHI, THURSDAY, SEPTEMBER 13, /22 BHADRA, 1934, (SAKA) [Vol : 7
নং ১] নতুন দিল্লী, বৃহস্পতিবাৰ, চেপ্তেম্বৰ ১৩, ২০১২/২২ ভাদ ১৯৩৪(শক) [খণ্ড ঃ ৭

Separate paging is given to this part in order that it may be filed as a separate compilation.

## বিধি আৰু ন্যায় মন্ত্ৰালয়
## ( বিধান বিভাগ )

নতুন দিল্লী, ৪ এপ্ৰিল , ২০১১ /১৪ চ'ত ১৯৩৩ (শক)

(১) দি এণ্টি এপাৰ্থেদ (ইউনাইটেড নেইশ্যনচ্ ক্যান্‌ভেন্‌শ্যন ) এক্ট , ১৯৮১ (১৯৮১ৰ ৪৮)
(২) দি এণ্টি হাইয্যাকিং এক্ট, ১৯৮২ (১৯৮২ৰ ৬৫)
(৩) দি টেকনল্যাযী ডি'ভে'ল্‌পমেণ্ট বোৰ্ড এক্ট, ১৯৯৫ (১৯৯৫ৰ ৪৪)
(৪) দি কেব্‌ল টেলিভিজ্যন্ নেটৱৰ্কচ্ (ৰেগুলেইশ্যন ) এক্ট, ১৯৯৬ (১৯৯৬ৰ ২৬)
(৫) দি আৰ্ব্বিট্ৰেশ্যন এণ্ড কনচিলিয়েশ্যন এক্ট, ১৯৯৬ (১৯৯৬ৰ ২৬)
(৬) দি টেলিক'ম ৰেগিউলেইট্যাৰী অ'থ'ৰিটি অৱ ইণ্ডিয়া এক্ট, ১৯৯৭ (১৯৯৭ৰ ২৪)
(৭) দি যীয়্যাগ্ৰাফিকেল ইন্‌ডিকেশ্যন্‌চ অৱ গুডচ্ (ৰেজিচ্‌ট্ৰেইশ্যন এণ্ড প্ৰ্যাটেক্‌শ্যন্ ) এক্ট, ১৯৯৯ (১৯৯৯ৰ ৪৮)

নিম্নলিখিত অসমীয়া অনুবাদ এতদ্বাৰা ৰাষ্ট্ৰপতিৰ প্ৰাধিকাৰাধীনে প্ৰকাশিত কৰা হৈছে আৰু প্ৰাধিকৃত পাঠ (কেন্দ্ৰীয় বিধি সমূহ)অধিনিয়ম, ১৯৭৩ ( ১৯৭৩ৰ ৫০ )ৰ ধাৰা ২ৰ খণ্ড (ক)ৰ অধীনত অসমীয়াত তাৰ প্ৰাধিকৃত পাঠ ৰূপে গণ্য কৰা হ'ব ।

# MINISTRY OF LAW AND JUSTICE

(Legislative Department)

New Delhi, Dated the 4th April 2011/14, chaitra 1933 (SAKA)
The Translations in Assamese of the following namely : -

1. The Anti-Apartheid (United Nations Convention) Act, 1981 (48 of 1981)
2. The Anti-Hijacking Act, 1982 (65 of 1982)
3. The Technology Development Board Act, 1995 (44 of 1995)
4. The Cable Television Networks (Regulation) Act, 1995 (7 of 1995)
5. The Arbitration and Conciliation Act, 1996 (26-of 1996)
6. The Telecom Regulatory Authority of India Act, 1997 (24 of 1997)
7. The Geographical Indications of Goods (Registration and protection) Act, 1999 (48 of 1999)

are hereby published under the authority of the President and shall be deemed to be the authoritative texts thereof in Assamese under clause (a) of Section 2 of the Authoritative Texts (Central laws Act, 1973 (50 of 1973).

# কেব্‌ল দূৰদৰ্শন নেটৱৰ্ক (বিনিয়মন) অধিনিয়ম, ১৯৯৫
## ১৯৯৫ ৰ সংখ্যা ৭

[১৬ ডিচেম্বৰ,১৯৯৫]

**দেশত কেব্‌ল দূৰদৰ্শন নেটৱৰ্কৰ প্ৰৱৰ্ত্তন আৰু ইয়াৰ আনুষঙ্গিক বা ইয়াৰ সৈতে সম্পৰ্কিত বিষয়সমূহ বিনিয়মিত কৰিবৰ বাবে এখন অধিনিয়ম ।**

ভাৰত গণৰাজ্যৰ ষট্ চত্বাৰিংশ বৰ্ষত নিম্নলিখিতৰ দৰে সংসদৰ দ্বাৰা অধিনিয়মিত কৰা হওঁক ঃ--

## অধ্যায় - I

### প্ৰাৰম্ভিক

**সংক্ষিপ্ত নাম বিস্তাৰ আৰু প্ৰাৰম্ভণ ।** ১। (১) এই অধিনিয়মখন কেব্‌ল দূৰদৰ্শন নেটৱৰ্ক (বিনিয়মন) অধিনিয়ম, ১৯৯৫ বুলি অভিহিত হব ।

(২) ইয়াৰ বিস্তাৰ সমগ্ৰ ভাৰততে হব ।

(৩) এইখন ১৯৯৪ ৰ চেপ্তেম্বৰৰ ২৯ তাৰিখত বলবৎ হোৱা বুলি গণ্য হব ।

**পৰিভাষা ।** ২। এই অধিনিয়মত, প্ৰসঙ্গত অন্যথা অপেক্ষিত নহলে --

[১][(ক) ''প্ৰাধিকৃত পদাধিকাৰী'' মানে তেওঁৰ স্থানীয় সীমাৰ অধিকাৰিতাৰ ভিতৰত ; --

(i) এজন জিলা দণ্ডাধীশ ; বা

(ii) এজন উপ-সংমণ্ডল দণ্ডাধীশ ; বা

(iii) এজন আৰক্ষী আয়ুক্ত ;

আৰু সেই চৰকাৰৰ দ্বাৰা নিৰ্দ্ধাৰিত কৰা দৰে এনে স্থানীয় সীমাৰ অধিকাৰিতাৰ বাবে কোনো প্ৰাধিকৃত পদাধিকাৰী হোৱা ৰাজ্য চৰকাৰ বা কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা, চৰকাৰী ৰাজপত্ৰত অধিসূচিত আন কোনো পদাধিকাৰী অন্তঃৰ্ভুক্ত কৰে ;

[১][কক] ''কেৱল পৰিচালক'' মানে কোনো ব্যক্তি যি কেৱল দূৰদৰ্শণ নেটৱৰ্কৰ যোগেদি কেৱল সেৱাৰ উপবন্ধিত কৰে বা অন্যথা নিয়ন্ত্ৰণ কৰে বা কেৱল দূৰদৰ্শন নেটৱৰ্কৰ প্ৰৱৰ্ত্তনৰ আৰু ব্যৱস্থাপনাৰ বাবে দায়িত্বশীল হয় ;

(খ) ''কেৱল সেৱা'' মানে কেৱল অনুষ্ঠানৰ দ্বাৰা প্ৰেৰণক অন্তৰ্ভুক্ত কৰি কোনো দূৰদৰ্শনৰ সম্প্ৰচাৰণৰ কেৱলৰ দ্বাৰা পুনৰ প্ৰেৰণ ;

(গ) ''কেৱল দূৰদৰ্শন নেটৱৰ্ক'' মানে যি সংবৃত্ত প্ৰেৰণ পথৰ কোনো ছেট আৰু সহকাৰী চিগনেল উৎপাদন কৰণ, নিয়ন্ত্ৰণ, বিতৰণ উপকৰণ মিলি বনোৱা হৈছে আৰু যি একাধিক ক্ৰেতাৰ দ্বাৰা গ্ৰহণ কৰাৰ বাবে কেৱল সেৱা প্ৰদান কৰিবলৈ পৰিকল্পনা কৰা হৈছে ;

---

১। খণ্ড (ক) খণ্ড (কক)ৰ স্থানত পুণঃ সংখ্যাঙ্কিত আৰু নতুন খণ্ড (ক) ২০০০ ৰ ৩৬ নং অধিনিয়মৰ ধাৰা ২ ৰ দ্বাৰা অন্তঃ স্থাপিত ।

(ঘ) ''কোম্পানী'' মানে কোম্পানী অধিনিয়মৰ, ১৯৫৬ ৰ ধাৰা ৩ ত পৰিভাষিত হোৱা দৰে কোনো কোম্পানী ; **১৯৫৬ ৰ ১**

(ঙ) ''ব্যক্তি মানে --

(i) কোনো এজন ব্যক্তি যিজন ভাৰতৰ নাগৰিক হয় ;

(ii) ব্যক্তিগত সংস্থা বা ব্যক্তিগত নিকায় নিগমিত হওঁক বা নহওঁক যাৰ সদস্যসকল ভাৰতৰ নাগৰিক হয় ;

(iii) কোনো কোম্পানী যিটোত কমপক্ষেও অংশ পুঁজিৰ শতকৰা একান্নৰ অনধিক অংশ পুঁজি ভাৰতৰ নাগৰিকৰ দ্বাৰা ধাৰণ কৰা হয় ;

(চ) ''বিহিত'' মানে এই অধিনিয়মৰ অধীনত প্ৰণীত নিয়মাৱলীৰ দ্বাৰা বিহিত ;

(ছ) ''কাৰ্য্যক্ৰম'' মানে কোনো দূৰদৰ্শন সম্প্ৰচাৰ আৰু ই নিম্নলিখিত সমূহক অন্তৰ্ভুক্ত কৰে --

(i) ভিডিঅ' কেছেট ৰেকৰ্ডাৰ বা ভিডিঅ কেছেট প্লেয়াৰৰ যোগেদি কোনো ছবি, তথ্যচিত্ৰ, নাটক, বিজ্ঞাপন আৰু ধাৰাবাহিকৰ প্ৰদৰ্শন ;

(ii) কোনো শ্ৰাব্য বা দৃশ্যমান বা শ্ৰাব্য-দৃশ্যৰ চলন্ত প্ৰচাৰ বা উপসংস্থাপন আৰু অভিব্যক্তি ''কাৰ্য্যক্ৰম সেৱাৰ'' তদনুসাৰে অৰ্থ হ'ব ;

(জ) ''পঞ্জীয়ণ কৰা প্ৰাধিকাৰী'' মানে এনে প্ৰাধিকাৰী যিদৰে কেন্দ্ৰীয় চৰকাৰে এই অধিনিয়মৰ অধীনত পঞ্জীয়ণ কৰা প্ৰাধিকাৰীৰ কৃত্যসমূহ পালন কৰিবলৈ চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা বিনিৰ্দ্দিষ্ট কৰে ;

(ঝ) ''গ্ৰাহক '' মানে কোনো ব্যক্তি যিয়ে আন কোনো ব্যক্তিক অতিৰিক্ত প্ৰেৰণ নকৰাকৈ কেবল পৰিচালকৰ তেওঁৰ দ্বাৰা সূচীত স্থানত কেবল দূৰদৰ্শনৰ সংকেত প্ৰাপ্ত কৰে ।

## অধ্যায় - II

### প্ৰাৰম্ভিক কেবল দূৰদৰ্শন নেটৱৰ্কৰ বিনিয়মন

**কেবল দূৰদৰ্শন নেটৱৰ্ক পঞ্জীয়ন ব্যতিৰেকে পৰিচালিত কৰা নহব ।**

৩ । কোনো ব্যক্তিয়ে কোনো কেবল দূৰদৰ্শনৰ নেটৱৰ্ক পৰিচালনা নকৰিব যদিহে তেওঁ এই অধিনিয়মৰ অধীনত কোনো কেবল পৰিচালক ৰূপে পঞ্জীভুক্ত নহয় ঃ

পৰন্তু এই অধিনিয়মৰ প্ৰাৰম্ভৰ ঠিক পূৰ্বে কেবল দূৰদৰ্শনৰ পৰিচালনা কৰা কোনো ব্যক্তি এনে প্ৰাৰম্ভৰ পৰা নৱৈ দিন ধৰি এনেদৰে নিৰন্তৰৰ বাবে কৰিব পাৰিব আৰু যদিহে তেওঁ উক্ত কালছোৱাৰ ভিতৰত ধাৰা ৪ৰ অধীনত কেবল পৰিচালক ৰূপে পঞ্জীয়নৰ বাবে আবেদন কৰে তেওঁ সেই ধাৰাৰ অধীনত পঞ্জীয়নভুক্ত হোৱালৈকে বা সেই ধাৰাৰ অধীনত তেওঁক, পঞ্জীয়ন প্ৰাধিকাৰীয়ে পঞ্জীয়ন মঞ্জুৰ কৰিবলৈ অগ্ৰাহ্য কৰে ।

**কেবল পৰিচালক ৰূপে পঞ্জীয়ন ।**

৪ । (১) কোনো ব্যক্তি যিজনে কেবল দূৰদৰ্শন পৰিচালনা কৰি আছে বা পৰিচালনা কৰিবলৈ আগ্ৰহী, পঞ্জীয়ন প্ৰাধিকাৰীলৈ এজন কেবল পৰিচালক ৰূপে আবেদন কৰিব পাৰে ।

(২) উপধাৰা (১) ৰ অধীনত কোনো আবেদন এনে প্ৰ-পত্ৰত কৰা হ'ব আৰু বিহিত কৰা দৰে এনে মাচুল গাঠি দিয়া হ'ব ।

(৩) কোনো আবেদনৰ প্ৰাপ্তিত, পঞ্জীয়ন প্ৰাধিকাৰী নিজেই সন্তুষ্ট হয় যে আবেদকে অপেক্ষিত সকলো তথ্য দাখিল কৰিছে আৰু এনেদৰে সন্তুষ্ট হোৱাত আবেদনক বা কেবল পৰিচালকৰ ৰূপে পঞ্জীয়ন কৰিব আৰু এনে পঞ্জীয়নৰ কোনো প্ৰমাণ পত্ৰ তেওঁলৈ মঞ্জুৰ কৰিব ঃ

পৰন্তু পঞ্জীয়ন প্ৰাধিকাৰীয়ে লিখিত ভাবে অভিলিখিত আৰু আবেদকক যোগাযোগ কৰা কাৰণৰ বাবে তেওঁলৈ পঞ্জীয়ন মঞ্জুৰ অস্বীকাৰ কৰিব পাৰে যদি তেওঁ সন্তুষ্ট হয় যে ধাৰা ২ ৰ খণ্ড (ঙ)ত বিনিৰ্দ্দিষ্ট চৰ্ত্তাৱলী পূৰণ কৰা নাই ।

কাৰ্য্যক্ৰমৰ সংহিতা।

৫। কোনো ব্যক্তিয়ে কোনো বিজ্ঞাপনৰ কেবল সেৱাৰ যোগেদি প্ৰেৰণ বা পুনঃ প্ৰেৰণ নকৰিব যদিহে এনে কাৰ্য্যসূচী বিহিত কাৰ্য্যসূচী সংহিতাৰ অনুৰূপত নহয় ।

[1][ * * * * * ]

বিজ্ঞাপনৰ সংহিতা ।

৬। কোনো ব্যক্তিয়ে কোনো বিজ্ঞাপন কেবল দূৰদৰ্শনৰ জৰিয়তে প্ৰেৰণ বা পুনৰ প্ৰেৰণ নকৰিব যদিহে এনে বিজ্ঞাপন বিহিত বিজ্ঞাপন সংহিতাৰ অনুৰূপত নহয় ।

[2][ * * * * * ]

পঞ্জীয়নৰ সংৰক্ষণ ।

৭। প্ৰত্যেক কেবল পৰিচালকে এটা মাহৰ ভিতৰত কেবল সেৱাৰ জৰিয়তে প্ৰেৰিত বা পুনঃপ্ৰেৰিত কাৰ্য্যক্ৰমৰ তাত এটা সংক্ষিপ্ত প্ৰদৰ্শন কৰি বিহিত প্ৰ-পত্ৰত কোনো পঞ্জী সংৰক্ষণ কৰিব আৰু এনে পঞ্জী, উক্ত কাৰ্যক্ৰমৰ সঠিক প্ৰেৰণ বা পুনঃ প্ৰেৰণৰ পিচত এবছৰৰ বাবে কেবল পৰিচালকৰ দ্বাৰা সংৰক্ষণ কৰা হব ।

দূৰদৰ্শন চেনেলৰ বাধ্যতামূলক প্ৰেৰণ ।

৮। [3][“(১) প্ৰত্যেক কেবল পৰিচালকে, --

(i) কেন্দ্ৰীয় চৰকাৰে চৰকাৰী ৰাজপত্ৰত, অধিসূচনাৰ দ্বাৰা বিনিৰ্দ্দিষ্ট কৰা দৰে এনে ৰীতিত আৰু নামত সংসদৰ দ্বাৰা বা হ'কে পৰিচালিত কৰা চেনেল ;

(ii) কমেও দুটা দূৰদৰ্শন পাৰ্থিব চেনেল আৰু এটা মূল বেগুত এখন ৰাজ্যৰ এটা আঞ্চলিক ভাষাৰ চেনেল পাৰ্থিব ব্যৱধান বহন কৰাবোৰৰ ভিন্ন ব্যৱধানৰ ওপৰত উপগ্ৰহ প্ৰক্ৰমত, পুনৰ প্ৰেৰণ কৰিব ।

(২) উপধাৰা (১)ত নিৰ্দ্দেশিত চেনেলবোৰ, এনে চেনেলত প্ৰেৰিত কোনো অনুষ্ঠানসূচীৰ কোনো অপসাৰণ বা পৰিৱৰ্ত্তন নকৰাকৈ পুনৰ প্ৰেৰণ কৰা হব” ।]

১৯৯০ ৰ ২৫

(৩) প্ৰচাৰ ভাৰতী অধিনিয়ম, ১৯৯০ ৰ (ভাৰত সম্প্ৰচাৰণ নিগম)ৰ ধাৰা ৩ৰ উপধাৰা (১)ৰ অধীনত স্থাপিত (ভাৰত সম্প্ৰচাৰণ নিগম) প্ৰচাৰ ভাৰতী চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা এনে চেনেলৰ পুনৰ প্ৰেৰণ আৰু প্ৰাপ্তিৰ ৰীতি আৰু তেওঁলোকৰ কেবল সেৱাত কেবল পৰিচালকৰ দ্বাৰা পুনৰ প্ৰেৰণ কৰিব লগা প্ৰত্যেক দূৰদৰ্শনৰ চেনেলৰ সংখ্যা আৰু নাম বিনিৰ্দ্দিষ্ট কৰে ।

কেবল দূৰদৰ্শনৰ সামগ্ৰীৰ মানকৰ ব্যৱহাৰ ।

৯। কোনো কেবল পৰিচালকে ভাৰতীয় মানক ব্যুৰো অধিনিয়ম, ১৯৮৬ ৰ উপবন্ধসমূহৰ অনুসাৰে ভাৰতীয় মানক ব্যুৰোৰ দ্বাৰা ভাৰতীয় মানকৰ স্থাপনৰ আৰু প্ৰকাশনৰ তাৰিখৰ পৰা তিনি বছৰ কাল অৱসানৰ তাৰিখত আৰু তাৰিখৰ পৰা তেওঁ কেবল দূৰদৰ্শনৰ নেটৱৰ্কৰ কোনো সামগ্ৰী ব্যৱহাৰ নকৰিব যদিহে এনে সামগ্ৰী উক্ত ভাৰতীয় মানকৰ অনুৰূপ নকৰে ।

কোনো দূৰদৰ্শন নেটৱৰ্কে কোনো দূৰ-সংযোগ পদ্ধতিত হস্তক্ষেপ নকৰে ।

১০। প্ৰত্যেক কেবল পৰিচালকে বিনিশ্চয় কৰে যে তেওঁৰ দ্বাৰা কেবল দূৰদৰ্শন নেটৱৰ্ক পৰিচালিত হোৱা কোনো ধৰণে প্ৰাধিকৃত যোগাযোগ ব্যৱস্থাৰ কাৰ্য্যৰ সৈতে হস্তক্ষেপ নকৰে ।

---

১। কেবল দূৰদৰ্শন নেটৱৰ্ক অধিনিয়ম ২০০০ ৰ ৩৬ নং অধিনিয়মৰ ধাৰা ৩ৰ দ্বাৰা পৰন্তুক লোপ কৰা হৈছে ।
২। একে অধিনিয়মৰ ধাৰা ৪ৰ দ্বাৰা পৰন্তুক লোপ কৰা হৈছে ।
৩। কেবল দূৰদৰ্শন নেটৱৰ্ক (বিনিয়মন) সংশোধন অধিনিয়ম, ২০০৭ ৰ ধাৰা ২ৰ দ্বাৰা প্ৰতিস্থাপিত কৰা হৈছে ।

## অধ্যায় -III

### কিছুমান সামগ্ৰীৰ অভিগ্ৰহণ কৰা আৰু জব্দ কৰা

**কেবল দূৰদৰ্শন নেটৱৰ্ক কাৰ্য্য কৰাৰ বাবে ব্যৱহৃত সামগ্ৰীৰ অভিগ্ৰহণ কৰিবলৈ ক্ষমতা।**

১১। (১) [১][যদি কোনো প্ৰাধিকৃত পদাধিকাৰীয়ে বিশ্বাস কৰাৰ কাৰণ থাকে যে ধাৰা ৩,৪,৫, আৰু ৮ৰ উপৱন্ধসমূহ কোনো কেৱল পৰিচালকৰ দ্বাৰা উলঙ্ঘনত হয় বা যে তেওঁ কেৱল দূৰদৰ্শন নেটৱৰ্ক কাৰ্য্য কৰাৰ বাবে এনে কেৱল পৰিচালকৰ দ্বাৰা ব্যৱহৃত হোৱা সামগ্ৰী জব্দ কৰিব পাৰে ।]

(২) এনে আহিলাপাতি ইয়াৰ জব্দ কৰণৰ তাৰিখৰ পৰা দহ দিনৰ অৱধিৰ বাবে প্ৰাধিকৃত পদাধিকাৰীৰ দ্বাৰা ৰখা নহব যদিহে জিলা ন্যায়াধীশৰ স্থানীয় সীমাৰ ভিতৰত যাৰ অধিকাৰিতাত এনে জব্দকৰণ কৰা হৈছে, আটক কৰাৰ বাবে অনুমোদন লাভ কৰা নহয় ।

**জব্দ ।**

১২। ধাৰা ১১ৰ উপধাৰা (১)ৰ অধীনত অভিগ্ৰহণ কৰা আহিলা পাতি জব্দ কৰণৰ বাবে দায়ী হব যদিহে কেৱল পৰিচালকে য'ৰ পৰা আহিলা পাতি অভিগ্ৰহণ কৰা হৈছে উক্ত সামগ্ৰী অভিগ্ৰহণৰ তাৰিখৰ ত্ৰিশ দিন কালৰ ভিতৰত ধাৰা ৪ৰ অধীনত কেৱল পৰিচালক ৰূপে নিজকে পঞ্জীয়ন নকৰে ।

**আহিলাপাতিৰ অভিগ্ৰহণ বা জব্দকৰণে আন দণ্ডক হস্তক্ষেপ নকৰে ।**

১৩। ধাৰা ১১ বা ধাৰা ১২ ত উল্লিখিত আহিলাপাতিৰ অভিগ্ৰহণ, জব্দকৰণে কোনো শাস্তিৰ বিবাদক বাধা নিদিব য'লৈ ইয়াৰ দ্বাৰা প্ৰভাৱিত ব্যক্তি এই অধিনিয়মৰ উপবন্ধসমূহৰ অধীনত দায়ী হয় ।

**অভিগ্ৰহণ কৰা আহিলাপাতিৰ কেৱল পৰিচালকলৈ সুযোগ দিয়া ।**

১৪। (১) ধাৰা ১২ ত উল্লিখিত আহিলাৰ জব্দকৰণৰ ন্যায় নিৰ্ণয় কৰি কোনো আদেশ কৰা নহব যদিহে কেৱল পৰিচালকে কাৰণসমূহ জনাই লিখিত জাননী দিয়া হয় যিবোৰ কাৰণত এনে আহিলা পাতি জব্দ কৰিবলৈ প্ৰস্তাৱ লোৱা হৈছে আৰু জব্দকৰণৰ বিৰুদ্ধে জাননীত বিনিৰ্দ্দিষ্ট দৰে এনে যুক্তিযুক্ত সময়ৰ ভিতৰত লিখিত ভাবে বিৱৰণ দিয়াৰ যুক্তিযুক্ত সুযোগ দিয়া হোৱা নাই আৰু যদি তেওঁ বিষয়টোৰ শুনানীৰ ইচ্ছা কৰে ঃ

পৰন্তু য'তএনে জাননী আহিলাপাতি অভিগ্ৰহণৰ তাৰিখৰ পৰা দহ দিনৰ ভিতৰত দিয়া হোৱা নাই, এনে আহিলা কেৱল পৰিচালকলৈ সেই কালৰ অৱসানৰ পিচত ঘূৰাই দিয়া হব যাৰ দখলৰ পৰা এইটো অভিগ্ৰহণ হৈছিল ।

(২) উপধাৰা (১)ত অন্যথা উপবন্ধিত ব্যতিৰেকে দণ্ড প্ৰক্ৰিয়া সংহিতা, ১৯০৮ৰ উপবন্ধসমূহ যিমান দূৰ পাৰি উপধাৰা (১)ত উল্লিখিত প্ৰত্যেক কাৰ্য্যবাহী প্ৰয়োগ হব ।

**১৯০৮ ৰ ৫ আপীল ।**

১৫। (১) আহিলাপাতিৰ কোনো জব্দকৰণৰ ন্যায়নিৰ্ণয় কৰা ন্যায়ালয়ৰ কোনো বিনিশ্চয়ৰ দ্বাৰা ব্যথিত কোনো ব্যক্তিয়ে ন্যায়ালয়লৈ কোনো আপীল কৰিব পাৰে য'ত এনে ন্যায়ালয়ৰ বিনিশ্চয়ৰ পৰা আপীল চলে ।

(২) আপীল ন্যায়ালয়ে আপীলকাৰীক শুনানীৰ যুক্তিযুক্ত সুযোগ দিয়াৰ পিচত, অতিৰিক্ত সাক্ষ্যৰ যদিহে প্ৰয়োজনীয় হয়, লোৱাৰ পিচত যিমানদূৰ পাৰি এটা নতুন বিনিশ্চয় বা ন্যায়নিৰ্ণয়ৰ বাবে যদি ই উচিত বুলি ভাবে, আপীল কৰা বিনিশ্চয়ৰ এনে অতিৰিক্ত সাক্ষ্যৰ লোৱাৰ পিচত, সালসলনি বা এনে নিৰ্দ্দেশনৰ সৈতে গোচৰটো ঘূৰাই পঠাব বা আপীলৰ বিৰুদ্ধে বিনিশ্চয়ৰ সালসলনি কৰিব বা পুনৰীক্ষণ কৰিব পাৰে ।

(৩) কোনো অতিৰিক্ত আপীল উপধাৰা (২)ৰ অধীনত কৰা ন্যায়ালয়ৰ আদেশৰ বিৰুদ্ধে নচলিব ।

---

১। ২০০০ ৰ ৩৬ নং অধিনিয়মৰ ধাৰা ৬ৰ দ্বাৰা প্ৰতিষ্ঠাপিত ।

## অধ্যায় -IV

### অপৰাধ আৰু জৰিমনাসমূহ

**এই অধিনিয়মৰ উপবন্ধসমূহৰ উলঙ্ঘনৰ বাবে দণ্ড ।**

১৬। যিয়েই এই অধিনিয়মৰ উপবন্ধসমূহৰ কোনোটোৰ উলঙ্ঘন কৰে, দণ্ডনীয় হব ---

(ক) প্ৰথম অপৰাধৰ বাবে, দুই বছৰলৈ বিস্তৃত হব পৰা অৱধিৰ বাবে কাৰাবাসৰে বা জৰিমাণাসহ যিটো এক হাজাৰ টকালৈকে বিস্তৃত হব পাৰে বা উভয়ৰে ,

(খ) প্ৰত্যেক পচাৎৱৰ্ত্তী অপৰাধৰ বাবে, কাৰাবাসেৰে যাৰ অৱধি পাঁচ বছৰ পৰ্য্যন্ত বিস্তৃত হব পাৰে আৰু জৰিমনাৰে, যিটো পাঁচ হাজাৰ টকা পৰ্য্যন্ত বিস্তৃত হব পাৰে ।

**কোম্পানীৰ দ্বাৰা কৰা অপৰাধসমূহ।**

১৭। (১) য'ত এই অধিনিয়মৰ অধীনত কোনো অপৰাধ, কোনো কোম্পানীৰ দ্বাৰা সংঘটিত কৰা হৈছে, প্ৰত্যেকব্যক্তি, যি অপৰাধটো সংঘটিত হোৱাৰ সময়ত দায়িত্বত আছিল আৰু কোম্পানীৰ কাম কাজ সঞ্চালনৰ বাবে কোম্পানীৰ দায়িত্বাধীনত আছিল, কোম্পানীও দোষী বুলি গন্য কৰা হব আৰু তাৰ বিৰুদ্ধে কাৰ্য্যবাহীৰ বাবে দায়ী হব আৰু তদনুসাৰে দণ্ডিত হব ঃ

পৰন্তু এই উপধাৰাত কোনো কথা থকা স্বত্বেও, কোনো ব্যক্তি দণ্ডৰ বাবে দায়ী হব যদি তেওঁ এইটো প্ৰমাণ কৰে যে অপৰাধটো তেওঁৰ অজ্ঞাতে সংঘটিত হৈছিল বা এনে অপৰাধৰ সংঘটনত বাধা দিবলৈ সকলো সম্যক তৎপৰতা প্ৰয়োগ কৰিছিল ।

(২) উপধাৰা (১)ত কোনো কথা থকা স্বত্বেও, য'ত এই অধিনিয়মৰ অধীনত কোনো অপৰাধ, কোনো কোম্পানীৰ দ্বাৰা সংঘটিত কৰা হৈছে আৰু যদি এইটো প্ৰমাণ হয় যে কোম্পানীৰ কোনো সঞ্চালক, পৰিচালক, সচিব বা আন পদাধিকাৰীৰ সম্মত বা মৌন সমৰ্থনত সংঘটিত কৰা হৈছে বা ইয়াৰ কোনো অংশত কোনো অৱহেলা কৰা হৈছে তেতিয়া কোম্পানীৰ এনে সঞ্চালক, পৰিচালক, সচিব বা আন পদাধিকাৰীও সেই অপৰাধৰ বাবে দোষী বুলি গন্য হব আৰু তাৰ বিৰুদ্ধ কাৰ্য্যবাহীৰ বাবে দায়ী হব আৰু তদনুসাৰে দণ্ডিত হব ।

**স্পষ্টীকৰণ** -- এই ধাৰাৰ প্ৰয়োজনাৰ্থে --

(ক) ''কোম্পানী'' মানে কোনো নিগমিত নিকায় আৰু ই ফাৰ্ম বা ব্যক্তিৰ আন সংস্থাক অৰ্ন্তভুক্ত কৰে ; আৰু

(খ) ''সঞ্চালক'' কোনো ফাৰ্মৰ সমন্ধত ফাৰ্মৰ কোনো অংশীদাৰ ।

**অপৰাধসমূহৰ সংজ্ঞান।**

১৮। [১][কোনো প্ৰাধিকৃত পদাধিকাৰীৰ দ্বাৰা] লিখিত কোনো অভিযোগৰ ব্যতিৰেকে কোনো ন্যায়ালয়ে এই অধিনিয়মৰ অধীনত দণ্ডনীয় কোনো অপৰাধৰ সংজ্ঞান নলব ।

## অধ্যায় - V

### বিবিধ

**জনগণৰ হিতৰ কিছুমান কাৰ্য্যক্ৰমৰ প্ৰেৰণৰ নিষিদ্ধ কৰাৰ ক্ষমতা ।**

১৯। য'ত [২][কোনো প্ৰাধিকৃত পদাধিকাৰীয়ে] জনগণৰ স্বাৰ্থত এনে কৰিবলৈ সমীচীন বা আৱশ্যক বুলি ভাবে তেওঁ আদেশৰ দ্বাৰা কোনো কেৱল পৰিচালকক কোনো [৩][কাৰ্য্যক্ৰম বা কেৱল চেনেলৰ ধাৰা ৫ত নিৰ্দ্দেশিত বিহিত কাৰ্য্যক্ৰম সংহিতা আৰু ধাৰা ৬ত নিৰ্দ্দেশিত বিজ্ঞাপনৰ সংহিতাৰ অনুৰূপ নহয় ] বা যদিহে ই জাতিগত ভাষা সম্বন্ধীয় বা আঞ্চলিক দল বা জাতি বা জনগোষ্ঠী বা যিটো সম্ভৱত লোক শান্তিৰ আমনিদায়ক হয় আদেশৰ দ্বাৰা নিষিদ্ধ কৰিব পাৰে ।

**জনগণৰ স্বাৰ্থত কেৱল দূৰদৰ্শণ নেটৱৰ্ক প্ৰৱৰ্ত্তণৰ নিষিদ্ধ কৰাৰ ক্ষমতা ।**

২০। (১) [৩][ য'ত কেন্দ্ৰীয় চৰকাৰে জনগণৰ স্বাৰ্থত সমীচীন বা আৱশ্যক বুলি ভাবে এই মৰ্মে বিনিৰ্দ্দিষ্ট চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা, এনে এলেকাত কেৱল দূৰদৰ্শনৰ নেটৱৰ্কৰ প্ৰৱৰ্ত্তন নিষিদ্ধ কৰিব পাৰে ।]

[৩][(২) য'ত কেন্দ্ৰীয় চৰকাৰে নিম্নলিখিত স্বাৰ্থত এনেদৰে কৰিবলৈ আৱশ্যক বা সমীচীন বুলি ভাবে --

(i) ভাৰতৰ প্ৰভুত্ব বা অখণ্ডতা ; বা

(ii) ভাৰতৰ সুৰক্ষা ; বা

(iii) কোনো বিদেশী ৰাজ্যৰ সৈতে ভাৰতৰ বন্ধুত্বপূৰ্ণৰ সম্বন্ধত ;

(iv) ৰাজহুৱা আদেশ, শালীনতা বা নৈতিকতা, ই আদেশৰ দ্বাৰা কাৰ্য্যক্ৰমৰ বা কোনো চেনেলৰ প্ৰেৰণ বা পুনৰ প্ৰেৰণ বিনিয়মিত বা নিষিদ্ধ কৰিব পাৰে ।

---

১। ২০০০ চনৰ ৩৬নং অধিনিয়মৰ ধাৰা ৭ৰ দ্বাৰা প্ৰতিস্থাপিত ।

২। একে অধিনিয়মৰ ধাৰা ৮ৰ দ্বাৰা প্ৰতিস্থাপিত ।

৩। ধাৰা ২০ পুনসংখ্যাকিত যিদৰে উপধাৰা (১) আৰু উপধাৰা (২) একে অধিনিয়মৰ ধাৰা ৯ৰ দ্বাৰা অন্তঃস্থাপিত ।

(৩) য'ত কেন্দ্ৰীয় চৰকাৰে কোনো চেনেলৰ কোনো কাৰ্য্যক্ৰম বিবেচিত কৰে যে ধাৰা ৬ৰ উল্লিখিত সংহিতাৰ বিহিত বিজ্ঞাপন বা ধাৰা ৫ত উল্লিখিত সংহিতাৰ বিহিত কাৰ্য্যক্ৰমৰ সৈতে অনুৰূপ নহয় তেওঁ আদেশৰ দ্বাৰা এনে কাৰ্য্যক্ৰমৰ প্ৰেৰণ বা পুনঃ প্ৰেৰণ বিনিয়মিত বা নিষিদ্ধ কৰিব পাৰে ।]

**বৰ্জিত নোহোৱা আন বিধিৰ প্ৰয়োগ ।**

২১। এই অধিনিয়মৰ উপবন্ধবোৰ ঔষধ আৰু প্ৰসাধন অধিনিয়ম, ১৯৪০, ফাৰ্মাচী অধিনিয়ম, ১৯৪৮, প্ৰতীক চিহ্ন আৰু নাম (অনুচিত প্ৰয়োগৰ নিবাৰণ) অধিনিয়ম, ১৯৫০, ঔষধ (নিয়ন্ত্ৰণ) অধিনিয়ম, ১৯৫০, চিনেমা অটোগ্ৰাফ অধিনিয়ম, ১৯৫২, ঔষধ আৰু চমৎকাৰ উপশম (আপত্তিজনক বিজ্ঞাপন) অধিনিয়ম, ১৯৫৪, খাদ্য অপমিশ্ৰণৰ নিবাৰণ অধিনিয়ম, ১৯৫৪, পুৰস্কাৰ প্ৰতিযোগিতা অধিনিয়ম, ১৯৫৫, প্ৰতিলিপি স্বত্ব অধিনিয়ম, ১৯৫৭, বাণিজ্যিক আৰু পন্য দ্ৰব্য চিহ্ন অধিনিয়ম, ১৯৫৮, অশালীন মহিলাৰ প্ৰতিনিধিত্ব (নিবাৰণ) অধিনিয়ম, ১৯৮৬ আৰু গ্ৰাহক সুৰক্ষা অধিনিয়ম, ১৯৮৬ৰ সৈতে সংযোজন হব আৰু হ্ৰাস কৰা নহব ।

১৯৪০ ৰ ৫০
১৯৪৮ ৰ ৮
১৯৫০ ৰ ১২
১৯৫০ ৰ ২৬
১৯৫২ ৰ ৩৭
১৯৫৪ ৰ ২১
১৯৫৪ ৰ ৩৭
১৯৫৫ ৰ ৪২
১৯৫৭ ৰ ১৪
১৯৫৮ ৰ ৪৩
১৯৮৬ ৰ ৬০
১৯৮৬ ৰ ৬৮

**নিয়মাৱলী প্ৰনয়ণ কৰিবলৈ ক্ষমতা ।**

২২। (১) কেন্দ্ৰীয় চৰকাৰে চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা এই অধিনিয়মৰ অধীনত উপবন্ধসমূহৰ সম্পন্ন কৰিবলৈ নিয়মাৱলী প্ৰনয়ণ কৰিব পাৰে ।

(২) বিশেষতঃ আৰু পূৰ্বগামী ক্ষমতাৰ ব্যাপকতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ এই নিয়মাৱলীয়ে নিম্নলিখিতৰ বিষয়সমূহৰ সকলো বা যি কোনোটোৰ বাবে উপবন্ধ কৰিব পাৰে, অৰ্থাৎ----

(ক) আয়োগৰ প্ৰ-পত্ৰ আৰু ধাৰা ৪ৰ উপধাৰা (২)ৰ অধীনত দিবলগীয়া মাছুল ;

(খ) ধাৰা ৫ৰ অধীনত কাৰ্য্যক্ৰম সংহিতা ;

(গ) ধাৰা ৬ৰ বিজ্ঞাপন সংহিতা ;

(ঘ) ধাৰা ৭ৰ অধীনত কেবল পৰিচালকৰ দ্বাৰা পঞ্জীয়কৰ প্ৰ-পত্ৰ ;

(ঙ) আন কোনো বিষয় যিটো বিহিত কৰা দৰে অপেক্ষিত হয় বা হব পাৰে ।

(৩) এই অধিনিয়মৰ অধীনত প্ৰণীত প্ৰত্যেক নিয়ম, ইয়াক প্ৰনয়ণ কৰাৰ পিছত যিমান সোনকালে পাৰি অধিবেশন চলি থকাৰ সময়ত, এখন বা দুখন অধিবেশন বা ততোধিক ক্ৰমাগত অধিবেশনৰে গঠিত হব পৰা মুঠ ত্ৰিশ দিন কালৰ বাবে সংসদৰ প্ৰত্যেক সদনৰ সন্মুখত উত্থাপিত কৰা হব আৰু যদিহে উপৰোক্ত অধিবেশনৰ অব্যৱহিত পৰৱৰ্ত্তীঅধিবেশন বা ক্ৰমাগত অধিবেশনসমূহৰ অৱসানৰ পূৰ্বে উভয় সদনত নিয়মত কোনো সালসলনি কৰিবলৈ সন্মত হয় বা উভয় সদনে সন্মত হয় যে নিয়ম প্ৰনয়ণ কৰিব নালাগে তেন্তে তাৰ পিচত নিয়ম ক্ষেত্ৰবিশেষে এনে সালসলনি আকাৰত প্ৰভাৱহীন হব, সেয়ে হলেও এনে সালসলনি বা ৰদকৰণে সেই নিয়মৰ অধীনত পূৰ্বেকৃত কোনো কাৰ্য্যৰ বিধিমান্যতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ হব ।

**নিৰসিত আৰু ব্যাবৃত্তি ।**

২৩। (১) কেবল দূৰদৰ্শন নেটৱৰ্ক (বিনিয়মন) অধ্যাদেশ, ১৯৯৫ ইয়াৰ দ্বাৰা নিৰসিত ।

**১৯৯৫ৰ অধ্যাদেশ ৩ ।**

(২) এনে নিৰসন স্বত্বেও, উক্ত অধ্যাদেশৰ অধীনত কৰা কোনো কাৰ্য্য বা লোৱা কোনো ব্যৱস্থাক এই অধিনিয়মৰ তদনুৰূপ উপবন্ধৰ অধীনত কৰা বা লোৱা হৈছে বুলি গণ্য কৰা হব ।

*******